# ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বৈদেশিক মন্ত্ৰীৰ কৰুণ মৃত্যুত ভাৰতে এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰে

২০ মে’ ২০২৪

ভাৰত চৰকাৰে কাইলৈ, ২১ মে’ ২০২৪ তাৰিখে হেলিকপ্টাৰ দুৰ্ঘটনাত শোকাবহভাৱে মৃত্যু বৰণ কৰা ইছলামিক গণৰাজ্য ইৰাণৰ ৰাষ্ট্ৰপতি মহামহিম ড০ চৈয়দ ইব্ৰাহিম ৰাইচি আৰু ইছলামিক গণৰাজ্য ইৰাণৰ বৈদেশিক মন্ত্ৰী মহামহিম হোছেইন আমিৰ-আব্দোল্লাহিয়ানৰ প্ৰতি সন্মান জনাই এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। সেইদিনা ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ’ব আৰু সেই দিনটোত কোনো আনুষ্ঠানিক মনোৰঞ্জন নাথাকিব।

ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মহামহিম ড০ চৈয়দ ইব্ৰাহিম ৰাইচি আৰু মহামহিম হোছেইন আমিৰ-আব্দোল্লাহিয়ানৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। তেওঁলোকৰ বাৰ্তাত ভাৰত-ইৰাণ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত দুয়োগৰাকী নেতাই পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে।

**নতুন দিল্লী**
**২০ মে’ ২০২৪**